# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 19-01-2025

**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

000000

শিক্ষা বিভাগৰ অধীনত প্ৰাদেশিকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা আজি অনুষ্ঠিত হৈছে। এই পৰীক্ষাত স্নাতক পৰ্যায়ত ৩৯ হাজাৰ ২২৪ গৰাকী প্ৰাৰ্থী আৰু স্নাতকোত্তৰ পৰ্যায়ত ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। পৰীক্ষাৰ বাবে পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। তদুপৰি পৰীক্ষাকেন্দ্ৰৰ চাৰিওফালে যান-বাহন ৰখাৰ ব্যৱস্থা সীমিত কৰা হৈছে। পৰীক্ষা কেন্দ্ৰলৈ ম'বাইল ফোন, কেলকুলেটৰ, স্মাৰ্ট হাতঘড়ী, ব্লুটুথ আদি ইলেকট্ৰনিক সঁজুলি অনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। এয়া আছিল অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে প্ৰচাৰ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হৈছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিছে। নিশা ৮ বজাত মন কী বাতৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহান শিক্ষাবিদ, সাহিত্যিক, প্ৰশাসক আনন্দ ৰাম বৰুৱাৰ মৃত্যু বাৰ্ষিকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ এটা বাৰ্তাত কয়, যে জনজাতীয় জীৱনক সমৃদ্ধ কৰা অসম সন্তান আনন্দ ৰাম বৰুৱা শিক্ষা, সাহিত্য আৰু প্ৰশাসনৰ ক্ষেত্ৰত এক উজ্জ্বল নক্ষত্ৰ আছিল। পণ্ডিত আনন্দ ৰাম বৰুৱা কেৱল প্ৰথম অসমীয়া আই চি এছ্ বিষয়াই নাছিল বৰঞ্চ সংস্কৃত ভাষা আৰু সাহিত্যৰ জ্ঞানৰ বাবেও তেওঁ বিখ্যাত আছিল। অসমৰ এইগৰাকী মহান ব্যক্তিত্বৰ পাণ্ডিত্য, প্ৰশাসনিক দক্ষতা আৰু দেশপ্ৰেমে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব। আনন্দ ৰাম বৰুৱাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন দল-সংগঠনেও তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে।

000000

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক হিচাপে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। ১৯৯১ বেটছৰ অসম-মেঘালয় কেডাৰৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াগৰাকীক ২০২৩ চনৰ ৩১ জানুৱাৰীত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছিল।

০০০০০০

ছত্তীশগড় বিশ্ববিদ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন আসন প্ৰতিষ্ঠাৰ ব্যৱস্থা লোৱা হ'ব। ছত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই কালি নলবাৰীৰ বেলশৰত চলি থকা অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধকালীন অধিৱেশনত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱাৰ পাছত বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগটোক পূৰ্ণাংগ ৰূপ দিয়াৰ ঘোষণা কৰা হৈছিল। ইয়াৰ পাছত ছত্তীশগড় বিশ্ববিদ্যালয়ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠাৰ কথাই স্বাভাৱিকতে অসমবাসীক উৎফুল্লিত কৰি তুলিছে। নাট্য সন্মিলনৰ অধিৱেশনৰ প্ৰথমখন মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যপাল ৰমেন ডেকাই কয়, যে ছত্তীশগড়ৰ ৰজা চক্ৰধবজৰ নামত নাট্য সন্মিলনৰ শ্ৰেষ্ঠ অভিনেতাক বছৰি বঁটা দিয়াৰ বাবে মূলধন হিচাপে ৰাজভৱনৰ তৰফৰ পৰা ২ লাখ টকা সন্মিলনক দিয়া হ'ব। অসম আৰু ছত্তীশগড়ৰ মাজত সম্প্ৰীতিৰ বান্ধোন সৃষ্টি কৰিবলৈ বিশেষ ব্যৱস্থা লোৱাৰ লগতে ৰাজ্যখনত লাচিত দিৱসো উদযাপন কৰা হৈছে বুলি শ্ৰী ডেকাই উল্লেখ কৰে।

০০০০০০

আকাশবাণীৰ যোগে কালি প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও সমূহীয়া অনাতাঁৰ কেন্দ্ৰই ক্ষুদ্ৰ পৰিসৰৰ ভিতৰতে তথ্য সমৃদ্ধ অনুষ্ঠান প্ৰচাৰৰ দ্বাৰা স্থানীয় লোকৰ সমস্যা উপস্থাপন আৰু জনগোষ্ঠীয় সাংস্কৃতিক বৈশিষ্ট্যক প্ৰতিফলিত কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে বুলি কেইবগৰাকীও উপস্থাপকে মত প্ৰকাশ কৰে। এই অনুষ্ঠানত ৰাজ্যৰ ছটা সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ অন্যতম পৰামৰ্শদাতা ভাস্কৰজ্যোতি আচাৰ্য আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত সমূহীয়া অনাতাঁৰ কেন্দ্ৰসমূহৰ অনুষ্ঠানৰ কিয়দাংশ প্ৰচাৰ কৰা হয়।

০০০০০০

খো-খো বিশ্বকাপৰ ফাইনেলত ভাৰতে আজি নেপালৰ বিৰুদ্ধে খেলিব। খেলখন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত  হ'ব। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে খো-খো বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতৰ পুৰুষ দলে কালি ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক ৬২-৪২ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। নেপালে ছেমি ফাইনেলত ইৰানক ৭২-২৯ পইণ্টত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ইয়াৰ পূৰ্বে ভাৰতীয় মহিলা দলে জয়ৰ ধাৰা অব্যাহত ৰাখি দক্ষিণ আফ্ৰিকাক ৬৬-১৬ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। মহিলা দলটো আজি ফাইনেলত নেপালৰ সন্মুখীন হ'ব।

০০০০০০

**সমাপ্ত**